FYUGP 4th Semester-2026
Sub : Assamese (AEC)

Time : 1½ hour **Marks : 30**

১। অতি চমু উত্তৰ দিয়া। ১×৫=৫

(ক) 'অসমীয়া ভাষাৰ বহল ব্যাকৰণ' গ্ৰন্থখনৰ ৰচক কোন?

(খ) বাক্য গঠনৰ প্ৰাথমিক সমল কি?

(গ) 'মই কালি গুৱাহাটী যাম' বাক্যটো শুদ্ধকৈ লিখা।

(ঘ) সংস্কৃত উপসৰ্গ কেইটা?

(ঙ) অ' — ৰ এটা ব্যৱহাৰ লিখা

২। চমু উত্তৰ দিয়া (যিকোনো পাঁচটা) ২×৫=১০

(ক) যুক্তাক্ষৰ ভাঙি দেখুওৱা — 'ঞ্ছ' আৰু 'ষ্ম'।

(খ) 'ষ'- ব্যৱহাৰৰ দুটা নিয়ম লিখা।

(গ) অন্তঃস্থ বৰ্ণ কেইটা আৰু কি কি?

(ঘ) 'নিস্ফল' আৰু 'বাল্মিকী' শব্দ দুটা শুদ্ধকৈ লিখা।

(ঙ) যোগ্যতা কেইপ্ৰকাৰৰ আৰু কি কি?

(চ) গঠন অনুসৰি বাক্য কেইপ্ৰকাৰৰ আৰু কি কি?

(ছ) 'কোন' আৰু 'কোণ' শব্দ দুটাৰ অৰ্থ লিখি বাক্য ৰচনা কৰা।

(জ) অসমীয়া ভাষাৰ দুটা উপসৰ্গ লিখা।

(ঝ) চন্দ্ৰবিন্দু ব্যৱহাৰৰ দুটা নিয়ম লিখা।

(ঞ) স্বৰধ্বনি কেইটা আৰু কি কি?

৩। উত্তৰ দিয়া (যিকোনো এটা) ৫×১=৫

(ক) যতি চিহ্নৰ ব্যৱহাৰ সম্পৰ্কে বহলাই লিখা।

(খ) 'ণ' ব্যৱহাৰৰ নিয়মসমূহ লিখা।

(গ) ভাব অনুসৰি বাক্যৰ প্ৰকাৰসমূহৰ আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া বৰ্ণশুদ্ধিৰ দিশসমূহ আলোচনা কৰা।